**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 4-11-2024
**Time :** 0900 Hrs

***<u>Assamese Morning Bulletin</u>***
**:::::::::::::::::::::::::::::::::::::::**

## Headlines

১। ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনক লৈ ব্যাপক প্ৰচাৰ।

২। অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যদা লাভ কৰা উপলক্ষে ৰাজ্যজুৰি ভাষা গৌৰৱ সপ্তাহ উদযাপন।

৩। ঝাৰখণ্ডত এন ডি এ প্ৰাৰ্থীৰ হৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নিৰ্বাচনী প্ৰচাৰ।

৪। মৰিগাঁও জিলা কাৰাগাৰৰ পৰা পলায়ন কৰা কয়দী জিয়াৰুল ইছলামক অন্ধ্ৰ প্ৰদেশত গ্ৰেপ্তাৰ।

*আৰু*

৫। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ক'ল'ৰাডত অনুষ্ঠিত ১৯ বছৰ অনূৰ্ধৰ বিশ্ব বক্সিং প্ৰতিযোগিতাত ভাৰতৰ ৪টা সোণসহ মুঠ ১৭টা পদক লাভ।

০০০০০০০

ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিত অহা ১৩ নৱেম্বৰত হ'বলগীয়া উপ-নিৰ্বাচনৰ বাবে সংশ্লিষ্ট জিলা প্ৰশাসনসমূহৰ সহযোগত নিৰ্বাচনী বিভাগে নিৰ্বাচনত নিয়োজিত হ'বলগীয়া বিষয়াসকলৰ প্ৰশিক্ষণকে ধৰি যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰিছে।

ইপিনে শাসকীয় বিজেপি আৰু বিৰোধী দল কংগ্ৰেছৰ লগতে আঞ্চলিক দলসমূহে নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত প্ৰচাৰ অভিযান তীব্ৰ কৰি তুলিছে। চিৰাং জিলাৰ চিদলী সমষ্টিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ কেবাজনো জ্যেষ্ঠ বিজেপি নেতাৰ লগতে ইউ পি পি এল দলে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। আজি সমষ্টিটোত মন্ত্ৰী অশোক সিংহল, ডাঃ ৰণোজ পেগু আৰু নন্দিতা গাৰ্লোচাই প্ৰচাৰ অভিযান চলাব বুলি দলীয় সূত্ৰই প্ৰকাশ কৰিছে। ইপিনে সমষ্টিটোত কংগ্ৰেছ দলেও প্ৰচাৰ অভিযান চলাই আছে। আজি বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই নিৰ্বাচনী প্ৰচাৰ সভাত অংশ ল'ব। চিদলী সমষ্টিৰ উপ-নিৰ্বাচন সন্দৰ্ভত সবিশেষ জনাব আমাৰ সংবাদদাতা কুঞ্জমোহন ৰায়ে–

***(ভইচকাষ্ট)***

ধলাই সমষ্টিত কালি অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি ভূপেন বৰাই সমষ্টিটোৰ প্ৰাৰ্থীগৰাকীৰ হৈ পাঁচখন প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। সমান্তৰালকৈ সমষ্টিটোত বিজেপিয়ে প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। ধলাই সমষ্টিত বিজেপি প্ৰাৰ্থীৰ হৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নিৰ্বাচনী প্ৰচাৰ চলাব। ধলাই সমষ্টিৰ উপ-নিৰ্বাচন সন্দৰ্ভত এয়া আমাৰ সংবাদদাতা জাকাৰিয়া ৰহমানে এইদৰে কয়—

***(ভইচকাষ্ট)***

আনহাতে, বিহালী সমষ্টিত কালি কংগ্ৰেছ দলৰ সাংসদ তথা বিৰোধীৰ উপ-দলপতি গৌৰৱ গগৈয়ে প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে।

ইপিনে ৰাজ্যৰ পাঁচটা সমষ্টিৰ উপ-নিৰ্বাচনৰ দায়িত্বত নিয়োজিত কৰ্মচাৰীসকলে মাতৃ-পিতৃ বন্দনা যোজনাৰ অধীনত নিৰ্বাচনৰ পৰৱৰ্তী সময়ছোৱাত বিশেষ ছুটী লাভ কৰিব বুলি প্ৰকাশ কৰা হৈছে। ইয়াৰ পূৰ্বে ৰাজ্য চৰকাৰে কৰ্মচাৰীসকলক অহা ৬ আৰু ৮ নৱেম্বৰত এই ছুটীৰ সুবিধা আগবঢ়াইছিল। এই বিশেষ ছুটীৰ অধীনত কৰ্মচাৰীসকলক ৭ নৱেম্বৰ ষট পূজা, ৯ নৱেম্বৰ মাহৰ দ্বিতীয়টো শনিবাৰ আৰু ১০ নৱেম্বৰ দেওবাৰৰ দিনটো একেলগে সামৰি লোৱা হ'ব বুলি কোৱা হৈছিল। উপ-নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ ফলত সংশ্লিষ্ট সমষ্টিকেইটাৰ কৰ্মচাৰীসকলৰ বাবে এই ছুটী লোৱাত সমস্যা সৃষ্টি হোৱাৰ বাবে পৰৱৰ্তী সময়ত এই ছুটী প্ৰদান কৰা হ'ব বুলি ঘোষণা কৰা হৈছে।

০০০০০০০

অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰা উপলক্ষে ৰাজ্যজুৰি কালিৰেপৰা ভাষা গৌৰৱ সপ্তাহ উদযাপন কৰা হৈছে। অসমীয়াৰ লগতে ৰাজ্যৰ অন্যান্য জনগোষ্ঠীয় ভাষা আৰু বৰ্ণিল সংস্কৃতিৰ প্ৰচাৰ তথা প্ৰসাৰৰ উদ্দেশ্যে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। গুৱাহাটীত কালি ভাষা গৌৰৱ সপ্তাহ উদ্‌যাপনৰ উদ্বোধনী অনুষ্ঠানত কৃষি মন্ত্ৰী অতুল বৰাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। ধ্ৰুপদী ভাষাৰ স্বীকৃতিপ্ৰাপ্তিৰ লগে লগে প্ৰতিজন অসমীয়াৰ ভাষাটোৰ প্ৰতি দায়িত্ব বাঢ়িল বুলি মন্তব্য কৰি মন্ত্ৰীগৰাকীয়ে নৱ প্ৰজন্মক ডিজিটেল পদ্ধতিৰে অসমীয়া ভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত আগবাঢ়িবলৈ আহ্বান জনায়। অনুষ্ঠানটোত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, সাংসদ বিজুলী কলিতা মেধি, গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ তথা অসম প্ৰকাশন পৰিষদৰ উপাধ্যক্ষকে ধৰি ভালেকেইজন বিশিষ্ট ব্যক্তি আৰু গুৱাহাটীৰ বিভিন্ন শিক্ষানুষ্ঠানৰ প্ৰতিনিধিসকল উপস্থিত থাকে।

ধুবুৰী জিলা প্ৰশাসনৰ উদ্যোগত জিলা গ্ৰন্থগাৰৰ প্ৰেক্ষাগৃহত ভাষা গৌৰৱ সপ্তাহ উদযাপন কৰা হয়। উদ্বোধনী অনুষ্ঠানত হস্ততাঁত বস্ত্ৰ বিভাগৰ মন্ত্ৰী উৰ্খাও গৌড়া ব্ৰহ্ম উপস্থিত থাকে। ইপিনে, কৰিমগঞ্জত আয়োজিত ভাষা গৌৰৱ সপ্তাহৰ কাৰ্যসূচীত বিধায়ক কমলাক্ষ দেৱ পুৰকায়স্থৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। বজালী জিলাত পাঠশালা সাহিত্য সভা আৰু বজালী জিলা প্ৰশাসনৰ যৌথ উদ্যোগত আয়োজিত ভাষা গৌৰৱ সপ্তাহৰ কাৰ্যসূচীত মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে অংশগ্ৰহণ কৰি কথিত ভাষাতো অসমীয়া শব্দৰ শুদ্ধ ৰূপৰ ব্যৱহাৰৰ বাবে আহ্বান জনায়।

বৰপেটা জিলাৰ ভাষা গৌৰৱ সপ্তাহৰ কাৰ্যসূচীত মন্ত্ৰী অশোক সিংহলে অংশগ্ৰহণ কৰি ধ্ৰুপদী ভাষাৰ স্বীকৃতিয়ে ভাষাটোৰ প্ৰসাৰ আৰু প্ৰচাৰত সহায় কৰিব যদিও প্ৰতিজন অসমীয়াই ভাষাটোৰ ব্যৱহাৰ বৃদ্ধিৰ বাবে হাত উজান দিলেহে এই স্বীকৃতিৰ সঠিক ৰূপায়ণ হ'ব বুলি উল্লেখ কৰে।

বাক্সা আৰু তামুলপুৰ জিলাত ভাষা গৌৰৱ সপ্তাহ উদযাপনৰ অনুষ্ঠানত ভাষা সংৰক্ষণ আৰু প্ৰচাৰৰ ক্ষেত্ৰত লোৱা প্ৰচেষ্টাৰ বাবে কেইবাগৰাকী বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়। গোৱালপাৰা জিলাত নটসূৰ্য ফণী শৰ্মা ভৱনত আয়োজিত অনুষ্ঠানত অধ্যাপক আৰু ভাষাবিদ ড° লক্ষী হাজৰিকাই অসমীয়া ভাষাৰ ঐতিহ্য উৎস আৰু বিকাশ সন্দৰ্ভত বক্তব্য আগবঢ়ায়।

কার্বি আংলং জিলাতো ভাষা গৌৰৱ সপ্তাহৰ উদ্বোধনী অনুষ্ঠানত অসমীয়াৰ লগতে কাৰ্বি ভাষাৰ ব্যুৎপত্তি সাধনৰ ক্ষেত্ৰত অহোপুৰুষাৰ্থ কৰা ৰংবং টেৰাঙকে ধৰি বিশিষ্ট সাহিত্যিক সকলক সম্বৰ্ধনা জনোৱা হয়। একেদৰে গোলাঘাট, মাজুলী, শিৱসাগৰ, দৰং, তিনিচুকীয়া, মৰিগাঁও, শোণিতপুৰ আৰু নলবাৰী জিলাতো ভাষা গৌৰৱ সপ্তাহৰ কাৰ্যসূচীত বিশিষ্ট সাহিত্যিক আৰু ভাষাবিদসকলক সম্বৰ্ধনা জনোৱা হয়। তিনিচুকীয়া জিলাৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি শ্ৰম মন্ত্ৰী সঞ্জয় কিষাণে ভাষাৰ বিকাশে জাতি এটাৰ উন্নতিৰ বাট নিৰূপণ কৰে বুলি মন্তব্য কৰে। গোলাঘাট জিলাৰ বীৰাংগনা সতিসাধনী কলাক্ষেত্ৰৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত কাৰ্যসূচীত অংশগ্ৰহণ কৰি মন্ত্ৰী কেশৱ মহন্তই কয় যে সুৰদী সুৰীয়া অসমীয়া ভাষাটো জগৎ সভাত স্ব-মৰ্যাদাৰে মহিমামণ্ডিত ৰূপত বন্দিত হৈ থাকিবলৈ ধ্ৰুপদী ভাষাৰ স্বীকৃতিয়ে সহায় কৰিব। চৰাইদেউ জিলাৰ সোণাৰি মহাবিদ্যালয় প্ৰেক্ষাগৃহত অনুষ্ঠিত ভাষা গৌৰৱ সপ্তাহৰ কাৰ্যসূচীত উপস্থিত থাকি কেবিনেট মন্ত্ৰী যোগেন মহনে ২২ গৰাকী বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনায়।

উল্লেখযোগ্য যে চতুৰ্থ শতিকাৰ পৰা পৰ্যায়ক্ৰমে অসমীয়া ভাষা সাহিত্যলৈ বৰঙণি যোগোৱা মনিষী, পণ্ডিত আৰু ভাষাবিদসকললৈ কৃতজ্ঞতা জ্ঞাপনৰ লগতে ভাষা গৌৰৱ সপ্তাহৰ বিভিন্ন কাৰ্যসূচীৰ অধীনত প্ৰকাশন পৰিষদে প্ৰকাশ কৰা **ধ্ৰুপদী অসমীয়া** শীৰ্ষক গ্ৰন্থ নাগৰিকৰ মাজত বিতৰণ কৰা হ'ব। ইয়াৰ লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ এক লাখ নাগৰিকৰ জৰিয়তে কৃতজ্ঞতাসূচক পত্ৰ প্ৰেৰণ কৰাৰ কাৰ্যসূচীও আৰম্ভ কৰা হৈছে।

০০০০০০০

বিশ্ববৰেণ্য শিল্পী ড০ ভূপেন হাজৰিকাৰ মৃত্যু বাৰ্ষিকীৰ সৈতে সংগতি ৰাখি কালি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ ড০ বাণীকান্ত কাকতি প্ৰেক্ষাগৃহত ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসৰ উদ্যোগত আৰু শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ সহযোগত **লুইতৰ পৰা মিছিছিপি হৈ** শীৰ্ষক কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। কুইজ প্ৰতিযোগিতাখনত ৪০ৰো অধিক দলে অংশগ্ৰহণ কৰে। পংকজ শৰ্মা আৰু চিৰঞ্জীত দত্তই প্ৰতিযোগিতাত চূড়ান্ত বিজয়ী সন্মান লাভ কৰে।

আনহাতে বিশিষ্ট গৱেষক, সংগীত শিল্পী বীৰেন্দ্ৰ নাথ দত্তৰ আজি জন্ম বাৰ্ষিকী। বীৰেন্দ্ৰ নাথ দত্তৰ জন্ম বাৰ্ষিকীৰ সৈতে সংগতি ৰাখি কালি ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসৰ সহযোগত **ইনলি** ফাউণ্ডেছনে বীৰেন্দ্ৰ নাথ দত্ত বিষয়ক সাতোখন সুৰীয়া নৈ শীৰ্ষক কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰে। ৪০ টাৰো অধিক দলে অংশগ্ৰহণ কৰা কুইজ প্ৰতিযোগিতাখনত নীলোৎপল পাটোৱাৰী আৰু প্ৰণিতা দাসৰ দলটিয়ে চূড়ান্ত বিজয়ী খিতাপ দখল কৰে। লগতে হিৰণ্য কুমাৰ বৰ্মন শ্ৰেষ্ঠ দৰ্শকৰূপে বিবেচিত হয়। অনুষ্ঠানত ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ সঞ্চালক, শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ সচিবৰ লগতে ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাস আৰু ইনলি ফাউণ্ডেছনৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

০০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী আৰু ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিং ব্যৱস্থাৰে শুনিব পাৰিব।** আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো এই বাতৰি শুনিবলৈ পোৱা যাব।

শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই, আৰু ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি ঝাৰখণ্ডত বিজেপি নেতৃত্বাধীন এন ডি এৰ প্ৰাৰ্থীৰ হৈ ৰাজ্যখনৰ বিধানসভা নিৰ্বাচনী প্ৰচাৰৰ বাবে দুখন ৰেলীত ভাগ ল'ব। ঝাৰখণ্ডৰ বিজেপিৰ সভাপতি তথা প্ৰাক্তন মুখ্যমন্ত্ৰী বাবুলাল মাৰাণ্ডিয়ে কৈছে যে প্ৰধানমন্ত্ৰীয়ে দিনৰ প্ৰায় চাৰে ১১ বজাত গড়ৱাহত প্ৰথমখন ৰাজহুৱা সভা আৰু দুপৰীয়া প্ৰায় ৩ বজাত চাইবাছাত দ্বিতীয়খন সভাক সম্বোধন কৰিব। উল্লেখযোগ্য যে ঝাৰখণ্ডত নিৰ্বাচনী সময়সূচী ঘোষণা কৰাৰ পাছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ এইখন হ'ব প্ৰথমখন নিৰ্বাচনী ৰেলী। ৰাজ্যখনত অহা ১৩ আৰু ২০ নৱেম্বৰত দুটা পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

০০০০০০০

ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে নতুন প্ৰযুক্তিৰ ব্যৱহাৰ, অহা বছৰ সম্পূৰ্ণ হৈ উঠিবলগীয়া বৈদ্যুতিকৰণ তথা আধুনিক ৰে'ল ব্যৱস্থাৰ জৰিয়তে পৰৱৰ্তী ৫ৰ পৰা ৭ বছৰৰ ভিতৰত দেশত ৰে'ল ভ্ৰমণ খণ্ডত বৃহৎ পৰিৱৰ্তন পৰিলক্ষিত হ'ব বুলি আশা প্ৰকাশ কৰিছে। কোজিক'ডেত কালি সন্ধিয়া মন্ত্ৰীগৰাকীয়ে এটা বিশেষ অনুষ্ঠান মুকলি কৰে। তেওঁ কয় যে, অমৃত ভাৰত ষ্টেচন পুনৰ উন্নয়নৰ আঁচনিৰ অধীনত এক লাখ কোটি টকা ব্যয় সাপেক্ষে এহেজাৰ ৩৩৪টা ষ্টেচনৰ পুনৰ বিকাশৰ কাম অব্যাহত আছে। তেওঁ কয় কয় যে, চৰকাৰে অপাৰ সৃষ্টিশীল সম্ভাৱনা মুকলি কৰাৰ উদ্দেশ্যে বিভিন্ন প্ৰান্তত এলানি ভাৰতীয় উদ্ভাৱনীমূলক প্ৰযুক্তি প্ৰতিষ্ঠান স্থাপন কৰাৰ পৰিকল্পনা কৰিছে। কোজিক'ডে ৰে'ল ষ্টেচনৰ সৈতে সংলগ্ন এটা তথ্যপ্ৰযুক্তি কেন্দ্ৰও স্থাপন কৰা হ'ব বুলি তেওঁ সদৰী কৰে। এই উদ্দেশ্যে ৰে'ল বিভাগৰ অধীনৰ ৫ একৰ ভূমি চিহ্নিত কৰা হৈছে।

০০০০০০০

মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনৰ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ আজি অন্তিম দিন। যোৱা ৩০ অক্টোবৰত মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হয়। ৰাজ্যখনৰ ২৮৮টা বিধানসভা নিৰ্বাচনৰ বাবে ৭ হাজাৰ ৯৯৪ প্ৰাৰ্থীয়ে দাখিল কৰা মনোনয়ন পত্ৰ বৈধ ঘোষণা কৰা হৈছে। উল্লেখযোগ্য যে ৰাজ্যখনত অহা ২০ নৱেম্বৰত এটা পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। এই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা প্ৰধান দলসমূহৰ ভিতৰত বিজেপি, শিৱসেনা, এন চি পি মিত্ৰজোঁটৰ শাসনাধিষ্ঠ মহায়ুটি আৰু কংগ্ৰেছ, শিৱসেনা ইউ বি টি আৰু শৰদচন্দ্ৰ পাৱাৰ গোটৰ এন চি পি মহা বিকাশ অঘড়ী মিত্ৰজোঁট অন্যতম। এই নিৰ্বাচনত সৰু সৰু ৰাজনৈতিক দল আৰু কেইবাগৰাকীও নিৰ্দলীয় প্ৰাৰ্থীও প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে।

০০০০০০০

মৰিগাঁও জিলা কাৰাগাৰৰ পৰা যোৱা ১১ অক্টোবৰৰ নিশা পলায়ন কৰা পাঁচজন কয়দীৰ অন্যতম জিয়াৰুল ইছলামক কালি অন্ধ্ৰ প্ৰদেশত মৰিগাঁও আৰক্ষীয়ে কৰায়ত্ব কৰে। মৰিগাঁও আৰক্ষীৰ এটা দলে অন্ধ্ৰ প্ৰদেশৰ তিৰুপতি জিলাৰ চুল্লুৰুপেটা থানাৰ অন্তৰ্গত এটা গোপন স্থান অন্ধ্ৰ প্ৰদেশ আৰক্ষীৰ সহযোগত যৌথ অভিযান

চলাই জিয়াৰুল ইছলামক কৰায়ত্ব কৰিবলৈ সক্ষম হয়। মৰিগাঁও আৰক্ষীয়ে প্ৰকাশ কৰা মতে আটকাধীন জিয়াৰুলক আজি অন্ধ্ৰ প্ৰদেশৰ পৰা মৰিগাঁৱলৈ অনা হ'ব। লগতে জিলা কাৰাগাৰৰ পৰা পলায়ন কৰা আন দুই কয়দী নুৰ ইছলাম আৰু মাফিদুল ইছলামকো সোনকালে কৰায়ত্ব কৰিবলৈ সক্ষম হ'ব বুলি জানিবলৈ দিয়ে।

০০০০০০০

ভাৰতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ক'ল'ৰাডত অনুষ্ঠিত ১৯ বছৰ অনূৰ্ধৰ বিশ্ব বক্সিং প্ৰতিযোগিতাত ৪টা সোণৰ পদকসহ মুঠ ১৭টা পদক লাভ কৰিছে। পুৰুষ আৰু মহিলা উভয় শাখাত অনুষ্ঠিত এই প্ৰতিযোগিতাত ভাৰতৰ মুঠ ১৯ গৰাকী বক্সাৰে ভাগ লৈছে। ভাৰতৰ হৈ হেমন্ত ছংৱানে পুৰুষৰ শাখাত সোণৰ পদক লাভ কৰাৰ লগতে কৃষ্ণা বাৰ্মা, পাৰ্থৱী গ্ৰেৱাল আৰু ৱানিষ্কা গোস্বামীয়ে সোণৰ পদক অৰ্জন কৰে। পদক অৰ্জন কৰা খেলুৱৈসকলৰ ১১ গৰাকী খেলুৱৈয়ে ইতিমধ্যে খেলো ইণ্ডিয়া প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছে। উল্লেখযোগ্য যে প্ৰতিযোগিতাত ভাগ লোৱা আটাইকেইগৰাকী মহিলা বক্সাৰে পদক অৰ্জন কৰি দেশলৈ গৌৰৱ কঢ়িয়াই আনিছে।

০০০০০০০

## NEWS PAPER REVEW 4-11-2024

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকত সমূহে ভিন ভিন বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। সংৰক্ষিত বনাঞ্চলত আৰক্ষী শিবিৰ , পথ, স্থায়ী আন্ত:গাঁথনি নিৰ্মানেৰে বন ধ্বংসত চৰকাৰে হাত উজান দিছে বুলি দৈনিক অসম কাকতে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। অসম সাহিত্য সভাৰ সভাপতি পদক লৈ অব্যাহত থকা কুছকাৰাজক লৈ দৈনিক জনমভূমি কাকতে সাহিত্য সভাৰ সভাপতিক লৈ কুটিল ৰাজনীতি , তালিকাৰ এগৰাকী প্ৰাৰ্থীৰো নাই নিৰ্ধাৰিত যোগ্যতা শীৰ্ষৰে আৰু আমাৰ অসম কাকতে অ সাহিত্যিকৰ গ্ৰাসত অসম সাহিত্য সভা, সভাপতি পেনেল বাতিলৰ প্ৰস্তাৱ শীৰ্ষৰে বাতৰিটো প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। অ ানহাতে প্ৰায় আটাইকেইখন কাকতে এই সন্দৰ্ভত বৰ্তমানৰ সভাপতি সূৰ্য হাজৰিকাৰ উদ্ধৃতিৰে সাহিত্য সভাৰ সভাপতিৰ পেনেল চূড়ান্ত হোৱা নাই , সিদ্ধান্ত লব উচ্চ ক্ষমতাসম্পন্ন সমিতিয়ে শীৰ্ষৰে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ভাষা গৌৰৱ সপ্তাহৰ কাৰ্যসূচীত ৰাজ্যৰ বাহিৰত থকা অসমীয়া লোকসকলক অংশগ্ৰহণৰ আহ্বান জনাইছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। এই বাতৰিটো প্ৰায় কেইখন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। দনাৰৰ ৬৭% পুঁজি ব্যয় হোৱা নাই বুলি এটা বাতৰি অসমীয়া প্ৰতিদিন কাকতে প্ৰধান বাতৰি হিচাপে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। উপ নিৰ্বাচনক লৈ ৰাজ্যৰ নিৰ্বাচনী পৰিৱেশ উত্তাল হৈ থকাৰ সন্দৰ্ভত গুৱাহাটীৰ পৰা আজি প্ৰকাশিত প্ৰায় আটাইকেইখন কাকতেই বিভিন্ন বাতৰি প্ৰথম

পৃষ্ঠাত আলোকচিত্ৰসহ প্ৰকাশ কৰিছে। পিএম কিছান আঁচনিত অনিয়মৰ অভিযোগত ৯৮ জন কৃষি উন্নয়ন বিষয়াৰ বিৰুদ্ধে ৰাজ্য চৰকাৰে বিভাগীয় তদন্ত আৰম্ভ কৰা আৰু লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ পৰা জালুকবাৰীলৈ ৬ লেন যুক্ত কৰিদৰৰ বাবে বিস্তৃত প্ৰকল্প প্ৰতিবেদন বিচাৰি নিবিদা আহ্বান কৰাৰ সন্দৰ্ভত The Sentinel কাকতে দুটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।১৫ নৱেম্বৰৰ পৰা দিল্লীত দুদিনিয়াকৈ bodland মহোৎসৱ অনুষ্ঠিত হব। এই বাতৰিটো The Assam Tribune কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। দুৰ্নীতিৰ গোচৰত ৩ বছৰত ২৫৬ বিষয়া কৰ্মচাৰীক গ্ৰেপ্তাৰ কৰা সন্দৰ্ভত অসমীয়া বাতৰি কাকতে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। কাইলৈ অনুষ্ঠিত হবলগীয়া মাৰ্কিন ৰাষ্ট্ৰপতি নিৰ্বাচনক লৈ দৈনিক অগ্ৰদূত কাকতে এটা বাতৰি প্ৰথম পৃষ্ঠাত স্থান দিছে। আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে: দিছপুৰত বিত্তীয় বিশৃঙ্খলা ,৭ মাহত বাজেটৰ মাত্ৰ ৩৫% ব্যয় , কলুষিত হৈ পৰিছে দীঘলীপুখুৰীৰ ভিতৰ বাহিৰ , সত্ৰৰ ভূমি বেদখলৰ বিৰুদ্ধে একত্ৰিত হল নগাঁও মৰিগাঁওৰ ১৬ খন সত্ৰৰ অধিকাৰ , বিভাগীয় তদন্তকো বাধা দিব বিচাৰিছে এপিএছচি কেলেংকাৰিত অভিযুক্ত এপিএছ বিষয়া ই ,Himalayan Glacial lakes saw area expansion from 2011 to 2024 আদি।

এয়াই আছিল গুৱাহাটীৰ পৰা আজি প্ৰকাশিত বাতৰি কাকত সমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত এক চমু অৱলুকন।

0000000

**সমাপ্ত**